# পাতনি

অসমীয়া লোকজীৱনৰ ধৰ্মীয় দিশটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত পবিত্ৰ ধৰ্মগ্ৰন্থখনি হ'ল শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা। এই পুথিখনিয়ে নামঘৰ, স্বগৃহ সকলোতে এক বিশেষ লোককৃষ্টিৰ অৱতাৰণা কৰিছে। একশৰণ হৰিনাম ধৰ্ম তথা নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ উদ্দেশ্যে পূৰণৰ সফলতাৰ আঁৰত এই পুথিৰ জনপ্ৰিয়তাই ক্ৰিয়া কৰিছে। শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ ৰচনা কৰিছিল অসমীয়া গ্ৰাম্য জীৱনৰ উপযোগীকৈ সহজবোধ্য কথিত ভাষাত। তেওঁৰ হাততে অসমীয়া ভাষাই সাহিত্যিক মান্যভাষাৰ ৰূপ পৰিগ্ৰহণ কৰিলে।

অসমীয়া সমাজৰ থাপনাত অভিষিক্ত এই ধৰ্ম পুথিখনিয়ে লোকমনক সেই প্ৰাচীন মধ্যযুগীয় সময়ৰ পৰা আজি পৰ্যন্ত প্ৰভাৱিত কৰি আহিছে। গভীৰ ভক্তিময় প্ৰাৰ্থনাসঙ্গীতময় এই পুথিখনিয়ে অসমীয়া সমাজক শৃংখলিতভাৱে এক লোক-সাংস্কৃতিক অৱয়ব গ্ৰহণ কৰাত অভূতপূৰ্ব বৰঙণি আগবঢ়ালে। কীৰ্তন-ঘোষা ভক্তিধৰ্মতত্ত্ব প্ৰকাশক গ্ৰন্থ হোৱাৰ লগে লগে বিশিষ্ট কাব্য গ্ৰন্থও। কাব্যগুণ বিশিষ্ট পুথিখনি প্ৰধানতঃ ভাগৱত পুৰাণৰ ধৰ্মতত্ত্বৰ আধাৰত ৰচিত হৈছে যদিও; ইয়াত শিশু-যুৱক-বৃদ্ধ সকলোৰে উপযোগীকৈ কাহিনী সজোৱা হৈছে। সেইবাবে কীৰ্তন-ঘোষাৰ সৰল কাহিনীত ধৰ্মতত্ত্বৰ লগে লগে চিনাকি অসমীয়া লোকজীৱনে ভুমুকি মাৰিছে।

সমসাময়িক অসমীয়া জীৱনৰ কথনশৈলী, সাজসজ্জা, লোকাচাৰ আদি পৰম্পৰা কীৰ্তন-ঘোষাৰ অধ্যায়সমূহৰ মাজত বহু পৰিমাণে লুকাই আছে। সেই সম্পৰ্কে বিশদ পৰ্যালোচনা পূৰ্ণাংগভাৱে হোৱা নাই। প্ৰস্তাৱিত গৱেষণা কাৰ্যত 'অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ' সমূহ পৰ্যায়ক্ৰমে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল। আশা ৰাখিছো এই গৱেষণাকাৰ্যই শঙ্কৰদেৱৰ 'কীৰ্তন-ঘোষা'ক বহল বিদ্যায়তনিক বিষয় ৰূপে প্ৰতিষ্ঠা কৰিব।

বিনীত

বিশ্বদীপা দাস

তাৰিখ ঃ ১০-০৬-২০২০

(বিশ্বদীপা দাস)